...এই দ্ৰব্যবোৰে উৎপাদনত যদি দেশখনে একচেটিয়া
অধিকাৰ লাভ কৰে পুনৰ দেশখনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ বহুকেইখন দেশৰ
পৰা আমদানি কৰাৰ যদি সুবিধা লাভ কৰে তেন্তে দেশখনৰ বাণিজ্য হাৰ
দেশখনৰ সপক্ষে হয়। কিন্তু ৰপ্তানি কৰিব লগা সামগ্ৰীৰ ক্ষেত্ৰত যদি তীব্ৰ
প্ৰতিযোগিতাৰ সন্মুখীন হয়, পুনৰ মাথোন এখন দেশৰ পৰাহে প্ৰয়োজনীয় বা
আটনিযুক্ত সামগ্ৰী আমদানি কৰাৰ সুযোগ পায় তেনেহলে দেশখনৰ বাণিজ্য
হাৰ (terms of trade) দেশখনৰ বিপক্ষে গতি কৰে।

## 2.4 বৃদ্ধিৰ চালিকা শক্তি হিচাপে বাণিজ্য (Trade as an engine of growth) :

বাস্তৱতে কোনো দেশেই সম্পূৰ্ণ অৰ্থত স্বাৱলম্বী নহয়। দেশ এখনৰ জনসাধাৰণে যি বিলাক সেৱা-সামগ্ৰীৰ চাহিদা কৰে সেই সকলোবোৰ সেৱা-সামগ্ৰী দেশখনত উৎপাদন কৰা সম্ভৱ নহয়। ইয়াৰ কাৰণ, দেশখনৰ প্ৰাকৃতিক পৰিবেশ, বতৰৰ অৱস্থা, ভূমিৰ গুণাগুণ, প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যতা, শ্ৰমৰ যোগান, মূলধনৰ যোগান, কাৰিকৰী কৌশলৰ প্ৰয়োজন, উদ্যোগৰ দক্ষতা, শ্ৰমিকৰ দক্ষতা, যাতায়ত পৰিবহনৰ সুবিধা আদিবোৰৰ তাৰতম্যতাৰ বাবেই সামগ্ৰী উৎপাদনৰ সুবিধা বা উৎপাদন ব্যয়ৰ তাৰতম্য হোৱা পৰিলক্ষিত হয়। যিবিলাক দেশে যিবোৰ দ্ৰব্য উৎপাদন কৰিলে উৎপাদন ব্যয় যথেষ্ঠ কম হয়, তেনে দেশে তেনে সামগ্ৰী নিজ দেশতে উৎপাদন কৰি বিদেশলৈও ৰপ্তানি কৰিব পাৰে। পুনৰ যিবোৰ সামগ্ৰীৰ উৎপাদন ব্যয় বিদেশৰ তুলনাত যথেষ্ঠ

বেছি তেনেবোৰ সামগ্ৰী নিজ দেশত উৎপাদন কৰাতকৈ বিদেশৰ পৰা আমদানি কৰিলে আপেক্ষিক ভাৱে কম দামতে লাভ কৰাত দেশখনৰ লাভ হয়। সেয়েহে আদাম স্মিথৰ দিনৰ পৰা বৰ্তমানলৈকে এচাম অৰ্থনীতিবিদে আন্তৰ্জাতিক বাণিজ্যক সকলো দেশৰ বাবেই উপকাৰী আখ্যা দিছে। কিন্তু অন্য এচাম অৰ্থনীতিবিদে মত পোষণ কৰিছে যে আন্তৰ্জাতিক বাণিজ্যক সদায়েই কল্যাণমূলক বুলিব নোৱাৰি। ইয়াৰ কাৰণ আন্তৰ্জাতিক বাণিজ্যই উন্নত আৰু ধনী দেশবোৰ ধনী কৰি তুলিছে আৰু দুখীয়া দেশবোৰক অধিক দৰিদ্ৰতাৰ গভলৈ ঠেলি দিছে।

অৰ্থনীতি এখনৰ অৰ্থনৈতিক উন্নয়ন বা অৰ্থনৈতিক বৃদ্ধিৰ ক্ষেত্ৰত আন্তৰ্জাতিক বাণিজ্যক চালিকা শক্তি আখ্যা দিব পৰা যায়নে নেযায় সি এক বিতৰ্কিত বিষয়। অৰ্থনীতিৰ পিতৃ স্বৰূপ অৰ্থনীতিবিদ আদাম স্মিথে বাণিজ্যৰ কিছুমান সুবিধাৰ কথা উল্লেখ কৰিছে। তেখেতৰ মতে দেশত যেতিয়া আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক গঢ়ি উঠে তেতিয়া যিবোৰ সামগ্ৰী উৎপাদনত দেশখনে পৰম ব্যয়ৰ সুবিধা (absolute cost advantage) লাভ কৰে তেনে সামগ্ৰীবোৰ উৎপাদন কৰি বিদেশলৈ ৰপ্তানি কৰিব। এনে কৰিবলৈ যাওঁতে উৎপাদন কাৰ্য্যত শ্ৰমৰ বিশেষীকৰণ কৰিব পৰা যায়। বিশেষীকৰণ এহাতে উপাদানৰ উৎপাদিকা শক্তি বৃদ্ধি কৰে আনহাতেদি খৰচ কমাই বা উৎপাদন ব্যয় হ্ৰাস কৰে। পুনৰ যিবোৰ সামগ্ৰী উৎপাদনত দেশে ব্যয়ৰ পৰম অসুবিধাৰহে সন্মুখীন হয় তেনে সামগ্ৰী বিদেশৰ পৰা আমদানি কৰিলে দেশৰ মুঠ ব্যয় কমিব গতিকে তেনে কৰিলেও দেশৰ মুঠ সম্পদ বাঢ়িব। সংস্থাপিত অৰ্থনীতিবিদ গোষ্ঠীৰ অন্যতম হোতা ডেভিদ ৰিকাৰ্ডোৱে তেখেতৰ ব্যয়ৰ তুলনামূলক সুবিধা ধাৰণাটোৰ যোগেদি ব্যাখ্যা কৰিছিল যে মুক্ত বাণিজ্য প্ৰচলিত থকা অৱস্থাত প্ৰতিখন দেশেই সেইবিলাক সামগ্ৰীৰ উৎপাদন আৰু ৰপ্তানিত আত্মনিয়োগ কৰে যিবিলাক সামগ্ৰীৰ উৎপাদনত প্ৰকৃত ব্যয়ৰ মানত তুলনামূলক সুবিধা আছে। দেশখনে সেইবোৰ সামগ্ৰী আমদানি কৰে যিবিলাক সামগ্ৰীৰ উৎপাদনত প্ৰকৃত ব্যয়ৰ মানত তুলনামূলক সুবিধা নাই। যিহেতু শ্ৰমেই উৎপাদনৰ এক মাত্ৰ উপাদান গতিকে উৎপাদন কাৰ্য্যৰ লগত সম্পৰ্ক ৰাখি ভৌগোলিক শ্ৰম বিভাজন ঘটে। শ্ৰম বিভাজনে ব্যয় নিম্নতম কৰাত আন্তৰ্জাতিক বাণিজ্যৰ প্ৰচলন যিমানে বাঢ়ে সিমানে এনে বাণিজ্যৰ অন্তৰ্ভূক্ত দেশবোৰে নিম্নতম ব্যয়ৰ যোগেদি উচ্চ

মানদণ্ডৰ সেৱা-সামগ্ৰী লাভৰ সুযোগ পাই।

অৰ্থনীতিবিদ G.V.Haberler এ The theory of International trade নামৰ গ্ৰন্থখনিত তেখেতৰ বিখ্যাত সুযোগ ব্যয় ধাৰণাৰ ভিত্তিত আন্তৰ্জাতিক বাণিজ্যৰ ব্যাখ্যা ডাঙি ধৰি কৈছিল যে দেশখনে উৎপাদন কৰা সামগ্ৰী দুয়োবিধৰে উৎপাদনী ব্যয় আৰু চাহিদাৰ সমতাৰ ভিত্তিত দ্ৰব্য দুটাৰ আপেক্ষিক দৰ নিৰ্ধাৰণ কৰা হয়। তেখেতৰ সুযোগ ব্যয় ধাৰণাটোৰ যোগেদি আন্তৰ্জাতিক বাণিজ্য যে দেশ এখনৰ বাবে অৰ্থনৈতিক বৃদ্ধিত অতি সহায়ক তাক তেখেতে ব্যাখ্যা কৰিবলৈ গৈ কয় যে আন্তৰ্জাতিক বাণিজ্যই দুয়োখন দেশৰ সন্তুষ্টি স্তৰ উচ্চ স্তৰৰ কৰি তোলে। যিখন দেশত যিবিধ সামগ্ৰীৰ উৎপাদনৰ সুযোগ বেছি তেনে দ্ৰব্যৰ উৎপাদন বৃদ্ধিৰ জৰিয়তে এহাতে উপাদানৰ নিযুক্তি বঢ়াব পাৰি আনহাতে অযথা উপাদান ব্যৱহাৰৰ পৰিমাণ হ্ৰাস কৰি উপাদান ব্যৱহাৰৰ মিতব্যয়ীতাৰ সৃষ্টি কৰে। হাবাৰলাৰে যুক্তি দেখুৱাইছিল যে 19 আৰু 20 শতিকাত অৰ্থনৈতিক উন্নয়নত আন্তৰ্জাতিক বাণিজ্যই যি অভুতপূৰ্ব বৰঙণি আগবঢ়াইছিল তাৰ পৰাই বুজিব পাৰি যে দেশৰ অৰ্থনৈতিক উন্নয়নৰ গতি দ্ৰুতগামী কৰি তোলাত বাণিজ্যই গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰে। হাবাৰলাৰে মত পোষণ কৰিছিল যে বাণিজ্যত চৰকাৰী হস্তক্ষেপে বাধা জন্মায়। চালিকা শক্তি নিৰাশাগ্ৰস্থ কৰি তোলে। সেইবুলি 100 শতাংশ মুক্ত বাণিজ্যৰো প্ৰয়োজন নাই। মুক্ত বাণিজ্যৰ ক্ষেত্ৰত নিজ দেশৰ চৰকাৰৰ নুন্যতম হস্তক্ষেপৰ প্ৰয়োজন আছে। ইয়াৰ কাৰণ মুক্ত বাণিজ্যত নুন্যতম হস্তক্ষে পে দ্ৰুত উন্নয়নত সহায় কৰে। পুনৰ যিবিধ সামগ্ৰী উৎপাদনত দেশখনে উৎপাদনৰ ক্ষেত্ৰত অধিক সুযোগ লাভ কৰে তেনেবিধ সামগ্ৰীৰ 100 শতাংশ নিজ দেশতে উৎপাদন কৰাতকৈ আনবিধ সামগ্ৰীৰো অলপ মান হলেও নিজ দেশতে উৎপাদন কৰা দৰকাৰ। অৰ্থাৎ আন্তৰ্জাতিক বাণিজ্যক 100 শতাংশ বিশেষীকৰণ কৰাটো হাবাৰলাৰেও বিচৰা নাছিল। অৰ্থনীতিবিদ কেইনক্ৰচ (Cairncross) য়ে আন্তৰ্জাতিক বাণিজ্য তথামুক্ত বাণিজ্যৰ সপক্ষে যুক্তি ডাঙি ধৰি পোষণ কৰিছে যে বাণিজ্যই দেশ এখনৰ উন্নয়ন সম্ভৱ কৰি তোলে, উৎপাদন সম্পৰ্কীয় জ্ঞান বঢ়াই, উপযুক্ত কৌশলৰ উপায়সমূহৰ সম্প্ৰসাৰণ ঘটাই আৰু অভিজ্ঞতা সম্পন্ন কৰি তোলে।

সাধাৰণতে অৰ্থনীতিবিদ সকলে বিশ্বাস কৰিছিল যে বাণিজ্যই উন্নত দেশৰ উন্নতি বৃদ্ধি কৰে আৰু অনুন্নত দেশৰ উন্নতি আগতকৈ কম কৰে। এই যুক্তিৰ

বিপৰীতে অৰ্থনীতিবিদ হাবাৰ্‌লাৰে উন্নয়নশীল দেশ সমূহৰ লগতে অন্যান্য দেশসমূহৰ উন্নয়নত বাণিজ্যৰ গুৰুত্ব সম্পৰ্কে কেইটামান যুক্তি প্ৰদৰ্শন কৰিছিল। এই যুক্তি সমূহ হ'ল -

১। কোনো এখন দেশত অপৰ্য্যাপ্তভাৱে লাভ নকৰা/উৎপাদন কৰিব নোৱাৰা মূলধনী জাত সামগ্ৰী, যন্ত্ৰপাতি, কেঁচাসামগ্ৰী আৰু অৰ্দ্ধচূড়ান্ত সামগ্ৰী বাণিজ্যৰ জৰিয়তে লাভ কৰিব পাৰে। উৎপাদন কাৰ্য্যত এনে সমূহ ব্যৱহাৰ কৰি দেশখন দ্ৰব্যৰ উৎপাদন, উপভোগ বা বাণিজ্যৰ জৰিয়তে আয়ৰ পৰিমাণ বৃদ্ধি কৰি উন্নয়ন বৃদ্ধি কৰিব পাৰে।

২। উন্নত দেশৰ পৰা উন্নয়নশীল দেশলৈ মূলধন চলনশীলতা বৃদ্ধি কৰাৰ একমাত্ৰ মাধ্যম হ'ল বাণিজ্য।

৩। বাণিজ্যই একচেটিয়া ব্যৱসায় কাৰ্য্যলৈ প্ৰতিযোগিতা কঢ়িয়াই আনে আৰু মুক্ত প্ৰতিযোগিতাক সবলভাৱে নিশ্চয়তা প্ৰদান কৰে।

৪। বিশ্বত নতুন নতুন বিদ্যাৰ জ্ঞান সম্প্ৰসাৰিত কৰে। উৎপাদনৰ নতুন নতুন ধাৰণাসমূহ, নতুন নতুনকৈ আবিষ্কাৰ হোৱা কাৰিকৰী কৌশলৰ জ্ঞান সমূহ, উৎপাদন, বিতৰণ, বিনিময়ৰ কৌশলসমূহ, সাংগঠনিক দক্ষতাসমূহ বাণিজ্যই বিশ্বৰ সকলো দেশলৈ সম্প্ৰসাৰিত কৰিব পাৰে।

আমি যদি আমাৰ ভাৰতৰ কথাকে আলোচনা কৰো তেনেহলে দেখা পাম যে ভাৰতবৰ্ষই যেতিয়াৰে পৰা উদাৰীকৰণ নীতি মানি চলিছিল, তেতিয়াৰে পৰা ভাৰতবৰ্ষৰ উপভোক্তাসকলে উপভোগ সৰ্বোচ্চ কৰাৰ পূৰ্ণ সুবিধা লাভ কৰিছে। বিদেশী বস্তুৰ আগমনে ঘৰুৱা সামগ্ৰীৰ বজাৰখনক অধিক প্ৰতিযোগিতাৰ মাজলৈ ঠেলি দি উন্নত মানদণ্ডৰ সামগ্ৰীৰ আবিষ্কাৰ, নতুন নতুন সামগ্ৰীৰ প্ৰতি উপভোক্তাৰ আকৰ্ষণ বৃদ্ধি, জীৱন ধাৰণৰ বাবদ অত্যাধুনিক সুবিধা থকা বিলাসী সামগ্ৰীৰ চাহিদা বৃদ্ধিৰ বাবে উপভোক্তাক অধিক আকৰ্ষণৰ প্ৰচেষ্টা চলোৱাৰ সুবিধাও বাণিজ্যই প্ৰদান কৰিছে।

বাণিজ্যই এহাতে চাহিদা বৃদ্ধিৰ বাবে বজাৰৰ সম্প্ৰসাৰণ ঘটাই। আনহাতেদি লাভৰ প্ৰত্যাশাই ৰপ্তানি বাণিজ্যৰ প্ৰতি উৎসাহিত কৰে। নতুন নতুন চিন্তাৰ উদ্ৰেক ঘটাই নিত্য নতুন উপভোগ্য সামগ্ৰীৰ উৎপাদনে উপভোক্তাৰ আকৰ্ষণ বৃদ্ধি ঘটায়। ফলত দেশৰ উপাৰ্জন বৃদ্ধি পায়। অৱশ্যে প্ৰায় সকলো অৰ্থনীতিবিদে